অধ্যায় ২ ঃ দেশ আৰু কাল ঃ কাণ্ট

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ সংবেদনশীলতাৰ আকাৰসমূহ
২.৪ দেশ আৰু কালৰ ধাৰণাৰ অধিবিদ্যামূলক ব্যাখ্যা
২.৫ দেশ আৰু কালৰ ধাৰণাৰ অতীন্দ্রিয় ব্যাখ্যা
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অগ্রগতিৰ খতিয়ান
২.৮ অধিক জানিবলৈ
২.৯ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টিত অধ্যয়নৰ জৰিয়তে আপোনালোকে—

- মানৱ সংবেদনশীলতাৰ বিষয়ে জানিবলৈ সক্ষম হ'ব,
- সংবেদনৰ দুটা অভিজ্ঞতাপূর্ব ধাৰণা যেনে ঃ দেশ আৰু কালৰ বিষয়ে জানিবলৈ সক্ষম হ'বক
- দেশ আৰু কালৰ অধিবিদ্যামূলক আৰু অতীন্দ্রিয় ব্যাখ্যাৰ বিষয়ে জানিবলৈ সক্ষম হ'ব।

২.২ পৰিচয়

কাণ্টে উল্লেখ কৰে যে, মানৱ জ্ঞানৰ দুটাকৈ বিভাগ আছে। সেইয়া হৈছে সংবেদনশীলতা (Sensibility) আৰু অৱবোধ (Understanding)। সংবেদনৰ জৰিয়তে আমি বস্তুবোৰ পাওঁ। অৱবোধৰৰ জৰিয়তে সিহঁতক চিন্তা কৰোঁ। সংবেদনশীলতা হৈছে স্বজ্ঞা বা প্রজ্ঞা (intuition) ৰ ক্ষমতা আৰু অৱবোধ হৈছে ধাৰণা বা প্রত্যয় (concept) ৰ ক্ষমতা। সংবেদনশীলতাৰ অবিহনে আমি কোনো ধৰণৰ বস্তু পাব নোৱাৰো আৰু অৱবোধৰ অবিহনে কোনো বস্তুক আমি চিন্তা কৰিব নোৱাৰো। কাণ্টৰ মতে, বিষয়বস্তুৰ অবিহনে চিন্তা শূন্য, ধাৰণাৰ অবিহনে প্রজ্ঞা বা বুদ্ধি অন্ধ (thoughts without content are empty, intuitions without concepts are blind)

কাণ্টে আমাৰ সংবেদনীয় অভিজ্ঞতাৰ বৈশিষ্ট্য সমূহক বৰ্ণনা কৰাৰ দ্বাৰা দেশৰ অধিবিদ্যামূলক ব্যাখ্যাৰ পৰিচয় দিছে। যাক তেওঁ সৰল পয্যবেক্ষনৰ ওপৰতে প্রমানিত বুলি গ্রহণ কৰিছে ঃ আমাৰ বাহ্যিক (outside us) বস্তুবোৰক দেশীয় ভাৱে নিশ্চিত ভাবে আমি বিৱৰণ দিওঁ আৰু আমাৰ বিবেচক অভিজ্ঞতাৰ আন্তৰিক বস্তুবোৰক অনিত্যভাৱে নিশ্চিত হিচাপে বিৱৰণ দিওঁ। উদাহৰণস্বৰূপেঃ- আমাৰ দৃশ্যমূলক ক্ষেত্রত এটা বস্তু, যাক আমি ঢুকি পাব পাৰো আৰু স্পর্শ কৰিব পাৰো তাৰ বিৱৰণ দেশও এক নিশ্চিত আকাৰ, আয়তন আৰু স্থান হিচাপে দিব পাৰো; আনহাতে মানসিক স্থিতিক বিৱৰণ দিব পাৰো ফলত এক নিশ্চিত স্থান আৰু অৱস্থিতি হিচাপে। তথাপি এই কথা মনত ৰাখিবলগীয়া যে দেশ আৰু কালৰ সম্বন্ধত বাহ্যিক আৰু আভ্যন্তৰীণ বস্তুবোৰৰ মাজৰ সম্বন্ধ সমপৰিমিত নহয়। ইয়াৰ কাৰণ এয়ে যে বাহ্যিক বস্তুবোৰ অস্থায়ী ভাৱে থাকে, কিন্তু আভ্যন্তৰীণ বস্তুবোৰ দেশীয় ভাৱে স্থাপিত নহয়। বাহ্যিক বস্তুবোৰৰ সুমিতিহীনতা (arymmetry) আৰু অস্থায়ীত্বতা (temporality) ই কাণ্টৈৰ ভাৱবাদৰ খণ্ডন (Refutation of Idealism) ত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে।

২.৪ দেশ আৰু কালৰ ধাৰণাৰ অধিবিদ্যামূলক ব্যাখ্যা

দেশ আৰু কালক অভিজ্ঞতাপূর্ব হিচাপে প্রমাণ কৰাৰ উদ্দেশ্যে কাণ্টে তেওঁ অধিবিদ্যামূলক ব্যাখ্যাটোত চাৰিটা যুক্তি দেশৰ উদ্দেশ্যে আৰু পাচটা যুক্তি কালৰ সন্দর্ভত আগবঢ়াইছে। দেশৰ ধাৰণাৰ —

১ম যুক্তি ঃ দেশ অভিজ্ঞতামূলক ধাৰণা নহয়, যাক বাহ্যিক অভিজ্ঞতাৰ পৰা নিঃসৃত কৰিব নোৱাৰি। বাহ্যিক অভিজ্ঞতাৰ দ্বাৰা কাণ্টে আমাৰ মনৰ এক ধর্মক নির্দেশ কৰিছে, যাৰ জৰিয়তে আমি আমাৰ বাহিৰৰ জগতখনৰ সকলোবোৰ বস্তুক আমাৰ নিজৰ আগত প্রতিষ্ঠাপন কৰোঁ। কাণ্টৰ মতে, এক বিৱৰণ হৈছে জ্ঞান সম্পর্কীয় এক পদ্ধতি, যাৰ মাজেৰে বস্তুবোৰক আমাৰ বাহ্যিক জগততথকাৰ দৰে স্বীকাৰ কৰা হয়। কাণ্টে উল্লেখ কৰে যে, সংবেদনৰ সৃষ্টি হয়, যেতিয়া আমাৰ বাহিৰত থকা বস্তুবোৰে আমাৰ চেতনা বা বোধৰ ওপৰত ক্রিয়া কৰে। বেলেগ বেলেগ স্থানত থকাৰ দৰে বিভিন্ন বিৱৰণ সমূহক স্বীকাৰ কৰাৰ উদ্দেশ্যে দেশৰ বিৱৰণক আগতে ঠাৰৰ কৰি ল'বই লাগব। সেইকাৰণে এনে লাগে যে দেশৰ বিৱৰণক বাহ্যিক অৱভাসৰ সম্পর্কৰ পৰা অভিজ্ঞতামূলক ভাৱে পাব পৰা নাযায়।

২য় যুক্তি ঃ দেশ হৈছে এক অনিবার্য্য অভিজ্ঞতাপূর্ব বিৱৰণ, যি সকলো বাহ্যিক সহজ জ্ঞান নাইবা বুদ্ধিত নিহিত থাকে। দেশৰ অনুপস্থিতিক আমি কেতিয়াও আমাৰ আগত প্রতিনিধিত্ব কৰাব নোৱাৰো; যদিও আমি সম্পূর্ণৰূপে ইয়াক বস্তুৰ

অভিজ্ঞতাৰ পৰা আহৰণ কৰিব পৰা নাযায়, কিয়নো অভিজ্ঞতাই কঠোৰ সামান্যতাও দিব নোৱাৰে নাইবা সকলো বিবাদৰ উৰ্দ্ধত প্ৰতিষ্ঠিত নিশ্চয়তাও দিব নোৱাৰে।

৪র্থ যুক্তি ঃ কাল বিছিন্ন নহয়, অথবা যাক কোৱা হয় এক সাধাৰণ ধাৰণা, বৰঞ্চ সংবেদনশীল বুদ্ধিৰ এক বিশুদ্ধ ৰূপ বা আকাৰ। কাল বিভিন্ন আছে কিন্তু একক কালৰে অংশ বিশেষ। এটা বিৱৰণ যাক কেৱল এটা একক বস্তুৱেহে দিব পাৰে, সেয়াই হ'ল স্বজ্ঞা (intuition) দেশৰ দৰে কালো এক। বিভিন্ন প্ৰকাৰৰ কাল অসীম কালৰ অন্তৰ্গত। কালৰ ধাৰণাটো সংবেদনশীল স্বজ্ঞাৰ এক বিশুদ্ধ আকাৰ আৰু সেয়েহে, ইয়াক অভিজ্ঞতা পূৰ্ব হিচাপে স্বীকাৰ কৰা হয়।

৫ম যুক্তি ঃ মূল বিৱৰণ, সময়ক সেইবাবে অসীম বা অনন্ত হিচাপে ধৰিবই লাগিব। এই যুক্তিটো পূৰ্ব যুক্তিটোৰ ওপৰত প্ৰতিষ্ঠিত, য'ত কাণ্টে এক কালৰ ওপৰত মন্তব্য দিছে যে বস্তুৰ সহ-অৱস্থিতি আৰু অনুক্ৰমৰ ভিন্ন প্ৰকাৰৰ বিৱৰণ সমূহ সেই একক কালৰেই অংশ। তেওঁ কালৰ ধাৰণাটোক অসীম আৰু অনন্ত হিচাপে গ্ৰহণ কৰিছে, য'ত বস্তুৰ অসীম সহ - অৱস্থান আৰু অনুক্ৰমৰ সৃষ্টি হয়। অসীম ৰূপত কালক সংবেদনশীল স্বজ্ঞা নাইবা বুদ্ধিৰ পৰা নিঃসৃত কৰিব নোৱাৰি আৰু সেয়ে, ইয়াক অভিজ্ঞতা পূৰ্ব হিচাপে স্বীকাৰ কৰিবই লাগিব।

২.৫ দেশ আৰু কালৰ অতীন্দ্ৰিয় ব্যাখ্যা

কাণ্টে দেশ আৰু কালৰ ধাৰণাৰ অতীন্দ্ৰিয় ব্যাখ্যাও আগবঢ়াইছে। অতীন্দ্ৰিয় ব্যাখ্যাৰ জৰিয়তে কাণ্টে যুক্তি দৰ্শাইছে যে, আনকি যদিও দেশ আৰু কালৰ সংবেদনশীল বুদ্ধি বা স্বজ্ঞাৰ পৰা নিঃসৃত কৰিব নোৱাৰি, তথাপি প্ৰত্যেক বহুমুখি সহজ জ্ঞানক দেশ আৰু কালৰ ৰূপত গ্ৰহণ কৰিব লাগিব, যাতে আমি সংশ্লেষক অভিজ্ঞতাপূৰ্ব জ্ঞান পাব পাৰো। জ্যামিতি আৰু পদাৰ্থ বিজ্ঞানৰ সন্দৰ্ভৰ পৰা উদাহৰণ আগবঢ়াই কাণ্টে দেশ আৰু কালৰ অতীন্দ্ৰিয় ব্যাখ্যা আগবঢ়াইছে। কাণ্টে স্বীকাৰ কৰে যে পদাৰ্থ বিদ্যা নাইবা জ্যামিতিত আমাৰ জ্ঞান সম্ভৱ হয় কেৱল সংশ্লেষক আৰু অভিজ্ঞতাপূৰ্ব হিচাপে দেশ আৰু কালৰ ধাৰণাৰ স্বীকৃতিৰ জৰিয়তে। কাণ্টে যুক্তি দিয়ে যে জ্যামিতি হৈছে এক বিজ্ঞান, যি দেশৰ ধৰ্মবোৰক সংশ্লেষণাত্মক আৰু অভিজ্ঞতাপূৰ্ব হিচাপে নিৰ্ণয় কৰে। তেওঁ কয় যে "এটা ত্ৰিভূজৰ তিনিটা কোণৰ সমষ্টি দুই সমকোণৰ সমান" ই এক সংশ্লেষক বচন; কিয়নো ত্ৰিভূজটো আৰু তিনিটা কোণৰ সমষ্টি দুটা সমকোণৰ সমান তাক বিচাৰি উলিওৱাৰ উদ্দেশ্যে আমি সংবেদনশীল সংজ্ঞাৰ সহায় লওঁ। সেইকাৰণে, বচনটোক সংশ্লেষক বচন (synthetic proposition) ৰূপে ধৰা হয়। আকৌ, এই বচনটোক অনিবাৰ্য্যতা

ভাৱে অনিবার্য্য, যদিহে অভিজ্ঞতা সম্ভৱ হয়।

দেশ আৰু কাল অতীন্দ্রিয়ভাৱেও ভাৱমূলক। যিবোৰ বস্তুৰ সন্দর্ভত ইহঁত অতীন্দ্রিয় ভাৱে ভাৱমূলক হয়, সেইবোৰক সংবেদনীয় স্বজ্ঞাৰ বহুমূখীতাত পাৰ নোৱাৰি। দেশ আৰু কাল সামগ্রীক ভাৱে মন স্বতন্ত্র, আত্ম-আনুসাঙ্গিঁক নাইবা দৃঢ় প্রতিজ্ঞাও নহয়। সিহঁত জ্ঞান স্বৰূপ সত্ত্বাৰ বস্তুগত ধর্ম নহয়, তাৰ ঠাইত সিহঁত হৈছে সংবেদনশীলতাৰ কেৱল অন্তর্গত চর্তহে, যাৰ অধীনত বাহ্যিক বুদ্ধিসমূহ আমাৰ বাবে সম্ভৱ হৈ উঠে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সংবেদনশীলতাৰ দুটা অভিজ্ঞতাপূর্ণ আকাৰ কি কি? আলোচনা কৰক।

.....

.....

প্রশ্ন নং ২ ঃ দেশৰ ধাৰণাটোৰ অধিবিদ্যামূলক ব্যাখ্যাটো বহলাই লিখক।

.....

.....

প্রশ্ন নং ৩ ঃ কালৰ ধাৰণাটোৰ অধিবিদ্যামূলক বিৱৰণৰ ব্যাখ্যা আগবঢ়াওক।

.....

.....

প্রশ্ন নং ৪ ঃ দেশ আৰু কালৰ অতীন্দ্রিয় ব্যাখ্যাটো আলোচনা কৰক।

.....

.....

প্রশ্ন নং ৫ ঃ "empirically real and transcendentally ideal" হিচাপে দেশ আৰু কালৰ দ্বাৰা কি বুজোৱা হৈছে? আলোচনা কৰক।

.....

.....

প্রশ্ন নং ৬ ঃ সংবেদন সম্পর্কীয় অন্তঃ প্রজ্ঞাৰ আকাৰ দুটা কি কি?

.....

.....

প্রশ্ন নং ৭ ঃ 'দেশ' আৰু 'কাল' আলোচনা কৰা দুটা শিতান কি কি? কাণ্টৰ মতে

.....

.....

প্রশ্ন নং ৮ ঃ সংশ্লেষক বচন কি?

.....

.....

ভাৱে অনিবার্য্য, যদিহে অভিজ্ঞতা সম্ভৱ হয়।

- বস্তুৰ সন্দর্ভত দেশ আৰু কাল অতীন্দ্রিয় ভাৱে সত্য দেশ আৰু কাল সামগ্রিক ভাৱে মন স্বতন্ত্র, আত্ম আনুসংগিক নাইবা দৃঢ় প্রতিজ্ঞাও নহয়। সিহঁত জ্ঞান স্বৰূপ সত্ত্বাৰ বস্তুগত ধর্ম নহয়, তাৰ পৰিবর্তে সিহঁত হৈছে সংবেদনশীলতাৰ অন্তর্গত চর্ত, যাৰ অধীনত বাহ্যিক বুদ্ধি সমূহ আমাৰ বাবে সহজ হৈ পৰে।



২.৭ অধিক জানিবলৈ

(১) Broad, C.D.Leibniz's "Last Controversy with the Newtonians" in Leibniz. *Metaphysics and Philosophy of science, edited by R.S. Woolhouse.* (America : Oxford University Press, 1981).

(২) Harris, Eroll E. *The Foundations of Metaphysices in science*. (London : George Allen and Unwin, 1965).

(৩) Kant, Immanuel. *Critique of Pure Reason*. Translated by N.K. Smith, (London: Macmillan, 1973).

(৪) Kant, Immanuel Prolegomena to Any Future Metaphysics. *That will be. Able to Come*. Forward as science, translated and edited by Gary Hatfield, (New York: Cambridge Univer sity Press, 2004).

(৫) Seruton, Ronger Kant, (London: Oxford University Press), 1982.

(৬) shabel, Lisa *"The Transcendental Aesthetic"*. in the companion to Kant's Critique of Pure Reason, edited by Paul Guyer, (New York, Cambridge University Press, 2010).

(৭) Wilkarson, *T.E. Critique of Pure Reason: a commentary for students.* (London: Clarendon Press, 1976).

(৮) Wood, Allen Kant, (London : Blackwell Publishing, 2005).



২.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ সংবেদনশীলতা আৰু অববোধ

২নং প্রশ্নৰ উত্তৰঃ সংবেদনশীলতা অন্তঃপ্রজ্ঞাৰ এটা গুণ

৩নং প্রশ্নৰ উত্তৰঃ অববোধ ধাৰণাৰ এটা গুণ

প্ৰশ্ন ২ ঃ 'দেশ' আৰু 'কাল'ৰ অতিন্দ্ৰিয়মূলক ব্যাখ্যাটো কি? চমু ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ 'দেশ' আৰু 'কাল'ৰ অধিবিদ্যাবিষয়ক ব্যাখ্যাটোৰ এটি চমুটোকা লিখক।

প্ৰশ্ন ৪ ঃ 'দেশ' আৰু 'কাল'ৰ অতিন্দ্ৰিয়মূলক ব্যাখ্যাটোৰ এটি চমুটোকা লিখক ।

প্ৰশ্ন ৫ ঃ সংবেদনশীলতাৰ আকাৰ সম্পৰ্কে এটি টোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সংবেদনশীলতাৰ দুটা অভিজ্ঞতাপূৰ্ব আকাৰ কি? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'দেশ' সম্পৰ্কীয় অধিবিদ্যা বিষয়ক ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ 'কাল' সম্পৰ্কীয় অধিবিদ্যা বিষয়ক ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ 'দেশ' আৰু 'কাল'ৰ অতিন্দ্ৰিয় বিষয়ক ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ 'দেশ' আৰু 'কাল' ব্যৱহাৰিক ভাবে সত্য আৰু অতীন্দ্ৰীয় ভাবে আদৰ্শগত- এই বাক্যশাৰীৰ অৰ্থটো কি? আলোচনা কৰক।

****